# মই কিয় কবিতা লিখোঁ

**কৰবী ডেকা হাজৰিকা**



*কৰবী ডেকা হাজৰিকা*

মই কিয় কবিতা লিখোঁ সেইটোও যে এটা প্ৰশ্ন হ'ব পাৰে সেই কথা কেতিয়াও ভাবি চোৱা নাছিলোঁ। কাৰোবাক যদি সোধা হয় যে তুমি কিয় টোপনি যোৱা বা তুমি কিয় আহাৰ খোৱা, তাৰ যেনেকৈ চমৎকাৰ কোনো উত্তৰ নাথাকে, মোৰ বাবেও এই প্ৰশ্নৰ কোনো বিশেষ উত্তৰ নাই। মই লিখিব পাৰোঁ, মই লিখি আনন্দ পাওঁ, এনেকুৱা কিছুমান কথা হয়তো ক'ব পৰা যায়। তথাপি সেইবোৰে প্ৰকৃত কাৰণটোৰ কাষ নাচাপে। তেন্তে কাৰণটোনো কি? কবিতা মোৰ জীৱন-ধাৰণৰ লগত অভিন্নভাবে জড়িত। উশাহ লোৱাৰ দৰেই মই কবিতা লগত লৈ ফুৰোঁ। কবিতা নিলিখি মই নোৱাৰোঁ, সেইটোহে আচল কথা।

মনৰ মাজত কেতিয়াবা এনেকুৱা একোটা অনুভৱ বা ধাৰণা আহে, যিবোৰক প্ৰকাশ কৰাটো বৰ টান। অথচ প্ৰকাশ নকৰাকৈ লৈ ফুৰাটো তাতোকৈও টান। সেই অনুভৱ আনক বুজোৱাও সহজ নহয়। যেতিয়া এটা বিমূৰ্ত ধাৰণা মনলৈ আহে অথবা এটা অনুভৱৰ এচমকাই দেখা দি মনৰ কোনোবাখিনিত খুন্দিয়াই থাকে তেতিয়া সেই ধাৰণাক এটা ৰূপ দিবলৈ মন যায়। সেই আধৰুৱা অনুভৱৰ বাকীখিনিৰো এটা নিটোল পূৰ্ণ ৰূপ দিবলৈ বৰকৈ মন যায়। তেনেবোৰ সময়তে কবিতাই ধৰা দিয়ে। মই সেই শ্ৰেণীৰ কবি, যি নিজে ভাবৰ বীজটোৱে ধৰা নিদিয়ালৈকে সাজি সাজি কবিতা লিখিব নোৱাৰোঁ। গতিকে প্ৰথমতে কবিতাৰ এক অস্পষ্ট ৰূপে ভিতৰত দেখা দিয়াৰ পাছত পূৰ্ণ ৰূপটো বিচাৰি নোপোৱালৈকে এডোখৰ অস্থিৰ সময় পাৰ কৰিবলগীয়া হয়। এই অস্থিৰতা শাম কাটি ভিতৰখন মুকলি কৰিবৰ বাবেই মই কবিতা লিখোঁ। হয়, কবিতাত বাৰ্তাময়ো দিবলৈ বিচাৰোঁ, কিন্তু

মোৰ কবিতাৰ বাবে বাৰ্তা প্ৰেৰণ প্ৰথম দাবী নহয়। সমাজলৈ, পাঠকলৈ দিবলগীয়া বাণী, বাৰ্তা বা উপদেশৰ বাবে গদ্য মোৰ সহজ মাধ্যম। গদ্য ৰচনাৰে আৰু বিশেষকৈ স্তম্ভ লেখনেৰে ক'বলৈ বিচৰা কথাখিনি মই সুচল ভাবেই কৈ আহিছোঁ। কিন্তু কিছুমান এনেকুৱা কথাও থাকে যিবোৰক মই গদ্যৰ মাজেৰে নিজে সন্তুষ্ট হোৱাকৈ কেতিয়াও প্ৰকাশ কৰিব নোৱাৰোঁ। গতিকে গদ্যত ফুটাই তুলিব নোৱৰা অনুভূতি বা বক্তব্যৰ বাবেই মই কবিতা লিখোঁ। উদাহৰণ স্বৰূপে মোৰ পাঠকে আদৰি লোৱা কবিতা 'চুলি নাবান্ধিবা যাজ্ঞসেনী'ৰ মূল কথাখিনি গদ্যৰ মাজেৰে আগতেও লিখিছোঁ। কিন্তু সেই লেখাত বৰ্ণনা আছে, তথ্য আছে, সজাগতা সৃষ্টিৰ প্ৰচেষ্টাও আছে; অথচ সেই লেখা সাৰ্থক নহ'ল। মই নিজেও সন্তুষ্ট নহ'লোঁ। কাৰণ মোৰ ভিতৰত থকা মূল আৱেগজড়িত অনুভূতিখিনি গদ্যৰ মাজেৰে প্ৰকাশ কৰিব নোৱাৰি। তাৰ আলম্বন হ'ব লাগিব নিঃসন্দেহে কবিতা। সেয়েহে গদ্যই সহায় নকৰা ঠাইত মই কবিতাৰে কথা কওঁ। মানুহ, প্ৰকৃতি, ভালপোৱা, নাৰী-অৱমাননা, ৰাতিৰ ৰহস্যময়তা, বৰষুণ আদিৰ বিষয়ে মনলৈ অহা ভাববোৰ গদ্যৰে লিখিলে সি হৈ পৰে বিশেষত্বহীন উক্তি। অথচ মই সেইবোৰ তাতকৈ ভালকৈ ক'বলৈ বিচাৰোঁ। বহুত ব্যাপক আৰু গভীৰ অনুভূতি কবিতা দুই-তিনিশাৰীৰ মাজতে ভৰাই থোৱাৰ চাবি-কাঠি মই বিচাৰি পাইছোঁ। সেই সঁচাৰ-কাঠি খুলিব জনা পাঠকৰ বাবেই মোৰ কবিতা। কবিতা মোৰ বৰ মৰমৰ আৰু আটকীয়া সম্পদৰ দৰে, টানি-আঁজুৰি আনিব নোৱাৰোঁ।

মোৰ কবিতা লিখাৰ আঁৰৰ প্ৰকৃত আৰু একান্ত ব্যক্তিগত কাৰণটোৰ আঁৰত এটা গোপন কথাও আছে। মোৰ এখন নিজা পৃথিৱী মই সদায় গোপনে লগত লৈ ফুৰোঁ। সেই পৃথিৱীত আশা-কামনা-প্ৰেম-বিষাদ-হেঁপাহ-সপোন-নিঃসংগতা আদি বহুত কিবাকিবি আছে। মোৰ সুখৰ বা দুখৰ বহুত অনুভূতি মই নিজে অকলে বহন কৰোঁ, কাকো তাৰ ভাগ দিব নোৱাৰি। তাৰে এটি এটি মুহূৰ্ত দিনলিপি লিখাৰ দৰে মোৰ কবিতাৰ মাজত মই কেতিয়াবা সাঁচি থওঁ। কাঁচৰ পাত্ৰত ভৰাই থোৱাৰ দৰে সেই একান্ত অনুভৱবোৰ মানুহে হয়তো দেখে, কিন্তু চুই চাব নোৱাৰে। গতিকে এটা কবিতাত কোৱাৰ দৰে "কবিতা মোৰ বিলাস নহয়, এক তীব্ৰতম প্ৰয়োজন"। কবিতাত মনটো নিগৰাইহে মই জীয়াই আছোঁ। কবিতা মোৰ শান্তি। কবিতা মোৰ জীৱনৰ বাবে অপৰিহাৰ্য।